# ৰাষ্ট্ৰহীনতাৰ বিৰুদ্ধে বিশ্বব্যাপী আন্দোলন-- এটি ইস্তাহাৰঃ

আমি ৰাষ্ট্ৰহীনতা নিৰ্মূল, সম জাতীয়তা অধিকাৰ লাভ, আৰু সকলো ৰাষ্ট্ৰহীন লোকৰ মানৱ অধিকাৰ বাস্তৱায়িত কৰাৰ বাবে উৎসৰ্গিত ৰাষ্ট্ৰহীন লোক, কৰ্মী, সংগঠন আৰু মিত্ৰ ব্যক্তিৰ এক বিশ্বব্যাপী সম্প্ৰদায়।

আমি একত্ৰিত হৈছো, কাৰণ লাখ লাখ লোকক ৰাষ্ট্ৰীয়তাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে আৰু ৰাষ্ট্ৰহীনতা টিকি ৰখা হৈছে। আনহাতে আন অগণন লোকৰ ৰাষ্ট্ৰীয়তাৰ অধিকাৰ ভাবুকিৰ সন্মুখীন হৈছে।

আমি আমাৰ সহভাজিত মানৱতা আৰু সকলো মানুহৰ সমান মৰ্যাদা আৰু অধিকাৰক স্বীকৃতি দিওঁ আৰু দৃঢ়তাৰে দাবী কৰোঁ।

আমিৰাষ্ট্ৰহীনতাৰ দ্বাৰা প্ৰত্যক্ষভাৱে প্ৰভাৱিত লোকসকলক আমাৰ আন্দোলনৰ নেতা হিচাপে কেন্দ্ৰীভূত কৰোঁ। তেওঁলোকৰ দক্ষতা আৰু সক্ৰিয় অভিজ্ঞতাক আমাৰ মিছনৰ বাবে গুৰুত্বপূৰ্ণ বুলি স্বীকাৰ কৰোঁ।

আমি ন্যায়সংগত শাসন, স্বচ্ছতা, সামূহিক আত্ম প্ৰতিফলন আৰু-ইজনে সিজনৰ প্ৰতি দায়বদ্ধতাৰ বাবে প্ৰতিশ্ৰুতিৱদ্ধ।

আমি সংহতিৰে একেলগে থিয় দিছো, সাহসৰে অন্তৰ্ভুক্তিমূলক আৰু সমতাবাদী সহযোগিতা বাছনি কৰিছো।দয়া, ধৈৰ্য্য আৰু পাৰস্পৰিক সন্মানৰ সৈতে আগবাঢ়িছো।

আমি সকলোৰে বাবে সুলভ উপায়বোৰত যোগাযোগ কৰিবলৈ চেষ্টা কৰোঁ।

**“We believe in the potential for social transformation to realise a world free from discrimination, which is the primary cause of statelessness**. We recognise that this requires holding those in power to account and pursuing structural change.”

**আমি ৰাষ্ট্ৰহীনতাৰ প্ৰাথমিক কাৰণ, অৰ্থাৎ বৈষম্যৰ পৰা মুক্ত এখন পৃথিৱী উপলব্ধি কৰিবলৈ সামাজিক পৰিৱৰ্তনৰ সম্ভাৱনাৰ ওপৰত বিশ্বাস কৰোঁ।** আমি স্বীকাৰ কৰোযে ইয়াৰ বাবে ক্ষমতাত থকা লোকসকলক দায়বদ্ধ কৰি ৰখা আৰু গাঁথনিগত পৰিৱৰ্তন অনুসৰণ কৰাৰ প্ৰয়োজন।

আমি নীতি নিৰ্ধাৰক সকলক প্ৰভাৱিত কৰিবলৈ, সম্প্ৰদায়ক বৃহৎ পৰিমাণে শিক্ষিত কৰিবলৈ আৰু বিশ্বব্যাপী পৰিৱৰ্তনক অনুপ্ৰাণিত কৰিবলৈ আঞ্চলিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৰাষ্ট্ৰহীন লোকসকলৰ কণ্ঠস্বৰ উত্থাপন আৰু প্ৰসাৰিত কৰিবলৈ সংকল্পৱদ্ধ।

আমাৰ লক্ষ্য হৈছে এক নতুন গতিশীলতা সৃষ্টি কৰা যিয়ে ৰাষ্ট্ৰবিহীন লোকসকলক শক্তিশালী কৰে,আমাৰ অংশীদাৰী মানৱতাৰ বিষয়ে গভীৰ বুজাবুজিৰ প্ৰেৰণা দিয়ে আৰু সকলোৰে কাৰণে ৰাষ্ট্ৰীয়তাৰ অধিকাৰ সমৰ্থন কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰে।

আমি ৰাষ্ট্ৰহীনতা আৰু নাগৰিক সমাজৰ মিত্ৰশক্তিৰ দ্বাৰা প্ৰভাৱিত লোক আৰু সম্প্ৰদায়ৰ মাজত সংযোগ সৃষ্টি আৰু বৃদ্ধি কৰোঁ, আলোচনা, কাহিনী কোৱা, তথ্য আৰু জ্ঞানৰ আদানপ্ৰদান আৰু- যৌথ পোষকতা পদক্ষেপৰ বাবে এক নিৰাপদ আৰু সাহসী স্থান গঢ়ি তোলোঁ।

আমি ৰাষ্ট্ৰহীনতাৰ গভীৰ আন্তঃসংযোগমূলক কাৰণ আৰু প্ৰভাৱসমূহক স্বীকাৰ কৰো আৰু স্বীকাৰ কৰো যে আমাৰ আন্দোলনৰ সফলতা অন্যান্য সামাজিক ন্যায় আন্দোলনৰ সৈতে অন্তৰ্নিহিতভাৱে জড়িত। আমি মিত্ৰশক্তিক সংযোগ কৰিবলৈ আৰু তৃণমূলৰ পৰা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈকে বিভিন্ন সামাজিক ন্যায়ৰ অংশীদাৰ সকলক জড়িত কৰি কাম কৰিবলৈ প্ৰতিশ্ৰুতিৱদ্ধ।

আমি এনে এখন পৃথিৱীৰ কল্পনা কৰোঁ য'ত সকলো মানুহৰ বাবে জাতীয়তাৰ অধিকাৰকে ধৰি সাৰ্বজনীন মানৱ অধিকাৰক সন্মান আৰু

ৰক্ষা কৰা হয়।
আমি আত্মবিশ্বাসী যে ৰাষ্ট্ৰহীনতাৰ মূল কাৰণবোৰ সমাধান আৰু বিশ্বৰ প্ৰতি আমাৰ দৃষ্টিভংগী বাস্তবায়িত কৰিলে সমগ্ৰ মানৱজাতি উপকৃত হ'ব।

(আমি এই ইস্তাহাৰত 'ৰাষ্ট্ৰীয়তা' শব্দটো ব্যৱহাৰ কৰিছো, কিয়নো আন্তঃৰাষ্ট্ৰীয় আইনৰ অধীনত এইটোৱেই ব্যৱহৃত শব্দ। ৰাষ্ট্ৰহীনতাৰ বিৰুদ্ধে বিশ্বব্যাপি আন্দোলনে ৰাষ্ট্ৰীয়তা আৰু নাগৰিকত্ব শব্দটো পৰিৱৰ্তনশীলভাৱে ব্যৱহাৰ কৰিব।

○○○○○○○○○○○